# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 12**-07-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

***::::::::::::::::::::::::::::::::::::***

উত্তৰ-পূবক দেশৰ উন্নয়নৰ দুৱাৰমুখ হিচাপে অভিহিত কৰি  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশেষ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন দপ্তৰৰ ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি গুৱাহাটীত প্ৰকাশ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ অহা কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী শ্ৰী সিন্ধিয়াই বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা  ছিলং অভিমুখে যাত্ৰা কৰিছে। মেঘালয়ৰ ৰাজধানী ছিলঙলৈ যোৱাৰ পূৰ্বে বিমান বন্দৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, বিকশিত ভাৰত আৰু বিকশিত পূৰ্বোত্তৰৰ ভৱিষ্যদৰ্শী আঁচনিৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনাই যে কেন্দ্ৰই ড'নাৰ মন্ত্ৰালয়ৰ বাজেট আৱণ্টন ২৪ হাজাৰ কোটিৰ পৰা প্ৰায় ৮২ হাজাৰ কোটিলৈ বৃদ্ধি কৰিছে। তেওঁ কয় যে উত্তৰ-পূব হৈছে আমাৰ  পুৰণি সংস্কৃত আৰু সংস্কাৰৰ ভঁৰাল। কেন্দ্ৰীয় চৰকাৰে আন্তঃগাঠনি, সংযোগ, স্বাস্থ্যসেৱা, শিক্ষা, ষ্টাৰ্টআপ, উদ্যোগীকৰণ আৰু পৰ্যটন উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।   কাইলৈ মন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ নেডফি হাউচ পৰিদৰ্শন কৰি বিষয়াসকলৰ সৈতে উদ্যোগীকৰণ আৰু ষ্টাৰ্টআপক অধিক প্ৰসাৰিত কৰাৰ উপায়ৰ বিষয়ে আলোচনা কৰিব। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভ্ৰমণৰ সময়ছোৱাত ড'নাৰ মন্ত্ৰালয়ৰ বিষয়াবৰ্গ, উত্তৰ-পূব পৰিষদ আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব। মন্ত্ৰীগৰাকীয়ে NERACE শীৰ্ষক এটা এপ্লিকেচন মুকলি কৰাৰ লগতে উত্তৰ-পূব পৰিষদৰ অন্য বিষয়াবৰ্গৰ সৈতে মত বিনিময় কৰিব।

oooooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ড চমুকৈ চি বি এছ্ ইয়ে তেওঁলোকৰ অধীনৰ সকলো বিদ্যালয়ত অসম চৰকাৰৰ চিন্তাৰ ফচলস্বৰূপ  জলদূত কাৰ্যসূচী কাৰ্যকৰী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সন্দৰ্ভত চি বি এছ্ ইৰ শৈক্ষিক বিভাগৰ সঞ্চালকে প্ৰতিখন স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়ৰ প্ৰধানলৈ পত্ৰ প্ৰেৰণ কৰে। পত্ৰখনত অসম জলজীৱন মিছনক প্ৰশংসা কৰি জলদূত কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবে উল্লেখ কৰা হয়। চি বি এছ্ ইয়েএই পদক্ষেপ গ্ৰহণ কৰাত  মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জলজীৱন মিছন, অসমক ধন্যবাদ জ্ঞাপন কৰে। এই ব্যৱহাৰিক কাৰ্যসূচীয়ে শিক্ষাৰ্থীকসকলক পানী সংৰক্ষণৰ বাবে সামূহিক প্ৰচেষ্টাত উদগণি যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

oooooooo

কেন্দ্ৰীয় মীন মন্ত্ৰালয়ে তামিলনাডুৰ মাডুৰাইত আজি আয়োজন কৰা ৰাষ্ট্ৰীয় স্তৰৰ মীন পালন গ্ৰীষ্মকালীন সন্মিলনত অসমৰ মীন মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মীন, পশুপালন, দুগ্ধ উৎপাদন আৰু পঞ্চায়তীৰাজ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙৰ অধ্যক্ষতাত এদিনীয়াকৈ অনুষ্ঠিত এই সন্মিলনত মীন পালন সন্দৰ্ভত গুৰুত্বপূৰ্ণ  আলোচনা কৰা হয়।

oooooooo

মাজুলী জিলা প্ৰশাসনে জিলাখনত বানৰ পাছত হব পৰা সম্ভাব্য ৰোগৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ সতৰ্কতা অৱলম্বন কৰিছে। ইয়াৰ অংশ হিচাপে জিলাখনৰ বিভিন্ন ঠাইত জনসাধাৰণৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি জিলা স্বাস্থ্য বিভাগে প্ৰতিদিনে বিভিন্ন ঠাইত আয়োজন কৰা স্বাস্থ্য শিবিৰত ভালেমান জনসাধাৰণৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰিছে। ইয়াৰ উপৰিও ৰোগ প্ৰতিৰোধ সন্দৰ্ভত অৱগত কৰাৰ বাবে জনসাধাৰণৰ মাজত বিশেষ সজাগতা সভাৰ আয়োজন কৰা হৈছে।

ইয়াৰ উপৰি বানত ক্ষতিগ্ৰস্ত জিলাখনৰ কৃষকসকলৰ প্ৰতি লক্ষ্য ৰাখি জিলা কৃষি বিভাগে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২৪-২৫ৰ অধীনত সমূহীয়া কঠিয়াতলীৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপ জেংৰাই কৃষি চক্ৰৰ অধীনত এডৰা কঠিয়াতলীত আজি দুটা উন্নত প্ৰজাতিৰ অধিক উৎপাদনক্ষম ধানৰ বীজ সিঁচা হৈছে। আজি কঠিয়াসিঁচা কাৰ্যসূচীত জিলাৰ কৃষি বিভাগৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে।

০০০০০০০০

যোৰহাট জিলাৰ সেনা নিযুক্তি কাৰ্যালয়ে ৰাজ্যৰ ৯ খন জিলাৰ অগ্নিবীৰ আঁচনিৰ প্ৰাৰ্থীৰ বাবে অহা ১৫ জুলাইৰ পৰা ২০ জুলাইলৈ নিযুক্তি সমাবেশৰ আয়োজন কৰিছে। যোৰহাট, মাজুলী, তিনিচুকীয়া, ডিব্ৰুগড়, গোলাঘাট, শিৱসাগৰ, চৰাইদেউ, ধেমাজি আৰু লখিমপুৰ জিলাৰ বাছনিভুক্ত প্ৰাৰ্থীয়ে এই সমাৱেশত অংশ ল'ব পাৰিব। প্ৰাৰ্থীসকলে প্ৰৱেশ পত্ৰত উল্লেখ কৰা দিনটোত অনুশীলন কৰা স্থানত উপস্থিত হ'বলৈ আহ্বান জনোৱা হৈছে। বাছনিভুক্ত প্ৰাৰ্থীসকলে নিযুক্তি সমাবেশত দৌৰৰ লগতে শাৰীৰিক সক্ষমতাৰ পৰীক্ষা আৰু স্বাস্থ্য পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব।

০০০০০০০০

ওড়িশাৰ ভূবনেশ্বৰতক অনুষ্ঠিত খেলো ইণ্ডিয়া মহিলা ভাৰোত্তোলন চেম্পিয়নশ্বিপত অসমৰ আইচেংফা গগৈয়ে দুটা অৰ্জন কৰিবলৈ সমৰ্থ হয়। আইচেংফাই ৫৫ কিলোগ্ৰাম য়ুথ শাখাত ৰূপৰ আৰু জুনিয়ৰ শাখাত ব্ৰঞ্জৰ পদক জয় কৰে।

০০০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আইয়ে ভাৰতীয় ক্ৰিকেট দলৰ শ্ৰীলংকা ভ্ৰমণৰ সূচী প্ৰকাশ কৰিছে। পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ২৬, ২৭ আৰু ২৯ জুলাইত হ'বলগীয়া টি-টুৱেণ্টি খেলেৰে এই ভ্ৰমণ আৰম্ভ হ'ব। ইয়াৰ পাছতে দলটো ১, ৪ আৰু ৭ আগষ্টত কলম্বোৰ আৰ প্ৰেমাদাসা আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত ৩ খন এদিনীয়া খেলত অৱতীৰ্ণ হ'ব। ভাৰতীয় ক্ৰিকেট দলটো ২২ জুলাইত শ্ৰীলংকাৰ উপস্থিত হ'ব। নৱনিযুক্ত মুখ্য প্ৰশিক্ষণ গৌতম গম্ভীৰৰ অধীনত এয়া ভাৰতৰ প্ৰথম শৃংখলা হ'ব। অৱশ্যে এই ভ্ৰমণৰ বাবে ভাৰতীয় দলৰ খেলুৱৈসকলৰ নাম এতিয়াও ঘোষণা কৰা হোৱা নাই।

০০০০০০০০

ঃসমাপ্তঃ